# নীতিশাস্ত্ৰ

মানুহ বিচাৰসম্পন্ন প্ৰাণী। এই বিচাৰবুদ্ধি আছে বাবেই মানুহে মানুহৰ কৰ্মৰ বা আচৰণৰ ভাল-বেয়া, শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত, ন্যায়-অন্যায় আদি বিচাৰ কৰিব পাৰে। এয়াই মানুহৰ নৈতিক বিচাৰ শক্তি। আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি অহা ভাল-বেয়া, শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত আদি শব্দবোৰৰ যুক্তিসংগত অধ্যয়নেই নীতিশাস্ত্ৰ। এক পৰম আদৰ্শ আগত ৰাখি নীতিশাস্ত্ৰই মানুহৰ কৰ্ম বা আচৰণৰ উচিত অনুচিত বিচাৰ কৰে আৰু সেইবোৰৰ মূল্যায়ণ কৰে আৰু লগতে সেই আদৰ্শত উপনীত হোৱাৰ বিভিন্ন পথ নিৰ্দেশ কৰে।

সাধাৰণতে নীতিশাস্ত্ৰ বুলিলে মানুহৰ চৰিত্ৰ বা আচৰণৰ নৈতিক মূল্য বিচাৰ কৰা শাস্ত্ৰক বুজায়। নীতিশাস্ত্ৰৰ ইংৰাজী প্ৰতিশব্দ 'Ethics' শব্দটো গ্ৰীক শব্দ 'Ethica'-ৰ পৰা আৰু Ethica শব্দটো Ethos শব্দৰপৰা আহিছে। Ethos শব্দৰ অৰ্থ হ'ল চৰিত্ৰ, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি বা অভ্যাস। গতিকে বুৎপত্তিগত অৰ্থৰ ফালৰপৰা `Ethics' বা নীতিশাস্ত্ৰ হ'ল মানুহৰ চৰিত্ৰ, ৰীতি-নীতি বা অভ্যাস সম্পৰ্কীয় বিজ্ঞান। কিছুমান পণ্ডিতে নীতিশাস্ত্ৰক নীতি দৰ্শনো বোলে। ইংৰাজী 'moral' শব্দটো লেটিন 'mores' শব্দৰপৰা আহিছে আৰু ইয়াৰ অৰ্থ হ'ল ৰীতি-নীতি বা আচৰণ। নীতিদৰ্শনৰ ফালৰপৰাও নীতিশাস্ত্ৰক মানুহৰ ৰীতি-নীতি বা আচৰণ সম্পৰ্কীয় বিজ্ঞান বুলি ক'ব পাৰি। নীতিশাস্ত্ৰই মানুহৰ ঐচ্ছিক আৰু অভ্যাসজনিত কৰ্মৰ ভাল-বেয়া, উচিত-অনুচিত বিচাৰ কৰি মূল্যাংকণ কৰাৰ

লতে এই বিচাৰৰ মানদণ্ড সম্পৰ্কেও আলোচনা কৰে। সেয়েহে নীতিশাস্ত্ৰক আচৰণৰ শুদ্ধতা-অশুদ্ধতা আৰু ঔচিত্য-অনৌচিত্য নিৰূপক বিজ্ঞান বুলিও কোৱা হয়।

মানুহৰ চৰিত্ৰৰ বহিঃপ্ৰকাশ হয় মানুহৰ আচৰণৰ মাজেৰে। যি ব্যক্তিৰ চৰিত্ৰ ভাল তেওঁৰ আচৰণো ভাল হয়। আচৰণত সদায় চৰিত্ৰৰ প্ৰভাৱ পৰে। এই দিশৰপৰা নীতিশাস্ত্ৰক মানুহৰ চৰিত্ৰ বা আচৰণ সম্পৰ্কীয় বিজ্ঞান বুলি কোৱা হয়। চৰিত্ৰৰ ভাল-বেয়া, সৎ-অসৎ অৰ্থাৎ নৈতিক মূল্যাংকণ কৰা হয় এটা মানদণ্ডৰ ওপৰত ভিত্তি কৰি। পৰম শ্ৰেয়ই হৈছে এনে নৈতিক আদৰ্শ বা মানদণ্ড। নীতিশাস্ত্ৰই পৰমশ্ৰেয়কেই মানুহৰ জীৱনৰ চৰম লক্ষ্য বা আদৰ্শ বুলি অভিহিত কৰে আৰু এই আদৰ্শৰ মাপকাঠিতেই মানুহৰ ঐচ্ছিক আৰু অভ্যাসজনিত কৰ্মৰ নৈতিক মূল্যাংকণ কৰে। ইয়াৰোপৰি নীতিশাস্ত্ৰই সেই আদৰ্শত উপনীত হোৱাৰ নীতিসমূহৰো নিৰ্দেশনা দিয়ে। গতিকে নীতিশাস্ত্ৰ হ'ল মানুহৰ ঐচ্ছিক বা অভ্যাসজনিত কৰ্ম বা আচৰণৰ ভাল-বেয়া, শুদ্ধ-অশুদ্ধ আদি নৈতিক গুণৰ বিচাৰ কৰা আদৰ্শনিষ্ঠ বিজ্ঞান।

অন্যান্য বিজ্ঞানৰ দৰে নীতিশাস্ত্ৰৰো নিৰ্দিষ্ট আলোচ্য বিষয়বস্তু আছে আৰু এই বিষয়বস্তু সম্পৰ্কে নীতিশাস্ত্ৰই শৃংখলাবদ্ধভাৱে অধ্যয়ন কৰি সুসংগত, সুনিশ্চিত আৰু যথাৰ্থ জ্ঞান আহৰণ কৰে। মানুহৰ আচৰণেই নীতিশাস্ত্ৰৰ মূল বিষয়বস্তু আৰু এই আচৰণৰ আদৰ্শানুযায়ী বিচাৰ কৰাই নীতিশাস্ত্ৰৰ উদ্দেশ্য।

যি বিজ্ঞানে কোনো এটা আদৰ্শক মানদণ্ড হিচাপে লৈ বিষয়বস্তুৰ মূল্য নিৰ্ধাৰণ কৰে তাক আদৰ্শনিষ্ঠ বিজ্ঞান বোলে। নীতিবিজ্ঞান আদৰ্শনিষ্ঠ বিজ্ঞান। নীতিবিজ্ঞানে এটা আদৰ্শক মাপকাঠি হিচাপে লৈ মানুহৰ আচৰণৰ নৈতিক মূল্যৰ বিচাৰ কৰে আৰু আনুষংগিক নিয়ামক নিয়ম-নীতি নিৰ্ণয় কৰি সেইবোৰ অনুকৰণৰ মাজেদি আকাংক্ষিত লক্ষ্যত উপনীত হ'বলৈ নিশ্চিত পথৰ সন্ধান দিয়ে।

কিছুমান নীতিশাস্ত্ৰবিদে নীতিশাস্ত্ৰক আদৰ্শনিষ্ঠ বিজ্ঞান আৰু প্ৰায়োগিক বা ব্যৱহাৰিক বিজ্ঞান বুলি অভিহিত কৰিছে। আদৰ্শনিষ্ঠ বিজ্ঞান আৰু ব্যৱহাৰিক বিজ্ঞান একে নহয়। আদৰ্শনিষ্ঠ বিজ্ঞানে আদৰ্শৰ স্বৰূপ নিৰ্ণয় আৰু ব্যাখ্যা কৰে। কিন্তু সেই আদৰ্শত উপনীত হ'বলৈ কি নিয়ম মানি চলিব লাগিব তাৰ নিৰ্দেশ নিদিয়ে। আনহাতে ব্যৱহাৰিক বিজ্ঞানে কোনো উদ্দেশ্য বা লক্ষ্যত উপনীত হ'বলৈ প্ৰয়োজনীয় নীতি নিয়ম প্ৰৱৰ্তন কৰে আৰু সেই নিয়ম পালন কৰিলে উদ্দেশ্য সিদ্ধি হয়। আদৰ্শনিষ্ঠ বিজ্ঞান হিচাপে নীতিশাস্ত্ৰই আদৰ্শ নিৰ্ণয় কৰে কিন্তু সেই আদৰ্শত উপনীত হ'বলৈ কোনো নীতি-নিয়ম প্ৰৱৰ্তন নকৰে। সেই কাৰণে অধ্যাপক মেকেঞ্জিয়ে নীতিশাস্ত্ৰক অকল আদৰ্শনিষ্ঠ বিজ্ঞান বুলি কৈছে। ই ব্যৱহাৰিক বা প্ৰায়োগিক বিজ্ঞান নহয়। পৰমশ্ৰেয়ৰ স্বৰূপ নিৰ্ণয় কৰাই নীতিশাস্ত্ৰৰ উদ্দেশ্য। কিন্তু পৰমশ্ৰেয় লাভৰ উপায় বা নিৰ্দেশনা নীতিশাস্ত্ৰই নিদিয়ে। মানুহৰ চৰিত্ৰৰ অভিব্যক্তিয়ে হ'ল আচৰণ আৰু ঐচ্ছিক ক্ৰিয়াই হ'ল সেই আচৰণ। গতিকে ঐচ্ছিক ক্ৰিয়াই নৈতিক বিচাৰৰ বিষয়বস্তু। ঐচ্ছিক ক্ৰিয়াৰ স্বৰূপ, অনৈচ্ছিক ক্ৰিয়াৰ লগত ইয়াৰ পাৰ্থক্য, কামনা, বাসনা, উদ্দেশ্য, অভিপ্ৰায় আদি বিষয়বোৰ নীতিশাস্ত্ৰৰ আলোচনাৰ অন্তৰ্ভুক্ত। নৈতিকতাৰ বিজ্ঞান হিচাপে নীতিবিজ্ঞানে নৈতিক গুণ অৰ্থাৎ ভাল-বেয়া, ন্যায়-অন্যায়, মংগল-অমংগল, উচিত-অনুচিত আদি নৈতিক প্ৰত্যয়বোৰৰ আলোচনা কৰে।

নীতিশাস্ত্ৰই নৈতিক আদৰ্শৰ স্বৰূপ নিৰ্ণয় কৰি সেই আদৰ্শৰ মাপকাঠিত মানুহৰ আচৰণৰ নৈতিক বিচাৰ কৰে। এই মানদণ্ড সম্পৰ্কে বিভিন্ন মতবাদ বা সিদ্ধান্ত আছে। কিছুমানৰ মতে বিধি বা নিয়ম হ'ল নৈতিক আদৰ্শ, কিছুমানৰ মতে সুখ, কিছুমানৰ মতে কৃচ্ছতাসাধন, কিছুমানৰ মতে আত্মোপলব্ধি বা পূৰ্ণতাপ্ৰাপ্তিয়ে নৈতিক আদৰ্শ। এই আদৰ্শক ব্যাখ্যা কৰি কোনটো গ্ৰহণযোগ্য তাক নিৰ্ণয় কৰা নীতিশাস্ত্ৰৰ কাম।

নীতিশাস্ত্ৰই নৈতিক বিচাৰৰ অৱশ্য স্বীকাৰ্য সত্য হিচাপে ব্যক্তিত্ব, বিচাৰশক্তি আৰু ইচ্ছাৰ স্বাধীনতা মানি লয় আৰু এই তিনিটাৰ বিশদ আলোচনা কৰে। নৈতিক বাধ্যতাবোধ নীতিবিজ্ঞানৰ আলোচ্য বিষয়। কোনো এটা কাম ভাল বা বেয়া বুলি গণ্য কৰাৰ পিছত বেয়া কামটো পৰিহাৰ কৰি ভাল কাম কৰাৰ তাগিদা আমাৰ মনত জাগি উঠে। এই তাগিদাকে নৈতিক বাধ্যতাবোধ বা কৰ্তব্যবোধ বোলে। এই নৈতিক বাধ্যতাবোধৰ আলোচনা নীতিশাস্ত্ৰৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

নৈতিক বিচাৰশক্তি, নৈতিক দায়িত্ব শাস্তি, পুৰস্কাৰ আদিও নীতিশাস্ত্ৰৰ আলোচ্য বিষয়ৰ অন্তৰ্গত। ইচ্ছাৰ স্বাধীনতা আছে কাৰণে মানুহৰ কৃতকৰ্মৰ নৈতিক দায়িত্বও আছে। এই নৈতিক দায়িত্বৰ কাৰণে ভাল কামৰ বাবে পুৰস্কাৰ আৰু বেয়া কামৰ বাবে শাস্তিৰ ব্যৱস্থা সমাজত বা ৰাষ্ট্ৰত আছে। এই আটাইবোৰ

বিষয়ৰ বিশদ আলোচনা নীতিশাস্ত্ৰৰ পৰিসৰৰ অন্তৰ্ভুক্ত। এইবোৰৰ উপৰিও নৈতিক আদৰ্শ আৰু নৈতিক বিচাৰৰ লগত জড়িত থকা সকলো বিষয়ৰ আলোচনা নীতিশাস্ত্ৰৰ অন্তৰ্ভুক্ত।

**কল্পনা চৌধুৰী**

## নীতিশাস্ত্ৰ আৰু দৰ্শন

দৰ্শন হ'ল তত্বজ্ঞান বা পাৰমাৰ্থিক তত্ববিষয়ক জ্ঞান। দৰ্শনে এই বিশ্বব্ৰহ্মাণ্ডৰ অন্তৰালত থকা পৰম সত্বাৰ স্বৰূপ আৰু এই পৰমসত্বাৰ লগত জীৱ, জগত, মন, আত্মা, দ্ৰব্য আদিৰ সম্বন্ধৰ আলোচনা কৰে। দৰ্শনে জীৱন আৰু জগত সম্বন্ধে যুক্তিমূলক আৰু সামগ্ৰিক জ্ঞান দিয়াৰ লগতে ইয়াৰ মূল্যও নিৰূপণ কৰে। ই পাৰমাৰ্থিক বিষয় সম্পৰ্কে যথাৰ্থ আৰু সুসংগত জ্ঞান দিয়ে। পাৰমাৰ্থিক জ্ঞান বা তত্ববিদ্যা দৰ্শনৰ এক অপৰিহাৰ্য অংশ।

নীতিশাস্ত্ৰ হ'ল মানুহৰ আচৰণৰ নৈতিক মূল্যায়ণৰ শাস্ত্ৰ। নীতিশাস্ত্ৰই মানুহৰ কৰ্মৰ নৈতিক বিচাৰ কৰে এক নৈতিক আদৰ্শৰ ভিত্তিত আৰু সেই নৈতিক আদৰ্শ হ'ল পৰমশ্ৰেয়। এই পৰমশ্ৰেয়ৰ স্বৰূপ আৰু জগতৰ লগত ইয়াৰ সম্পৰ্ক নিৰূপণ কৰে দৰ্শনে। গতিকে নীতিশাস্ত্ৰ আৰু দৰ্শনৰ মাজত এক ঘনিষ্ঠ সম্বন্ধ আছে। এই সম্বন্ধৰ বাবে প্লেটো, স্পিনোজা, হেগেল, গ্ৰীণ আদি দাৰ্শনিকসকলে দৰ্শনক নীতিশাস্ত্ৰৰ ভিত্তি বুলি অভিহিত কৰে। আনহাতে হেষ্টিংছ, ৰাছডেল প্ৰমুখ্যে একশ্ৰেণীৰ দাৰ্শনিকে নীতিশাস্ত্ৰক দৰ্শনৰ ভিত্তি বুলি মানে। আকৌ লেছলি, ষ্টিফেন আদি পণ্ডিতে নীতিশাস্ত্ৰ আৰু দৰ্শনৰ সম্পৰ্ক অস্বীকাৰ কৰে। এনে ধৰণৰ বিতৰ্কিত আৰু বিপৰীত মতবাদ গ্ৰহণ নকৰি প্ৰবীণ নীতিশাস্ত্ৰবিদ মেকেঞ্জী, মূৰহেড আদিয়ে নীতিশাস্ত্ৰ আৰু দৰ্শন বা তত্ববিদ্যাৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে বুলি মত প্ৰকাশ কৰে। মূৰহেডৰ মতে তত্ববিদ্যা বা দৰ্শনৰ আলোচ্য বিষয়সমূহে আমাৰ নৈতিক ধাৰণাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। মেকেঞ্জীৰ মতে, মানুহৰ জীৱনৰ মূল্য বা সক্ৰিয় উৎস কি, মানুহৰ যথাৰ্থ সত্বাৰ স্বৰূপ আৰু বাস্তৱ জগতত ইয়াৰ স্থান ক'ত- আদি প্ৰশ্নবোৰৰ সমাধান দৰ্শন বা তত্ববিদ্যাইহে দিব পাৰে। অৰ্থাৎ নৈতিক সমস্যা সমাধানৰ বাবে দৰ্শনৰ জ্ঞান অতি প্ৰয়োজনীয়।

নীতিশাস্ত্ৰ বহুতো বিষয়ত দৰ্শনৰ ওপৰত নিৰ্ভৰশীল। (১) আদৰ্শনিষ্ঠ বিজ্ঞান হিচাপে নীতিশাস্ত্ৰই নৈতিক জীৱনৰ আদৰ্শ 'পৰমশ্ৰেয়'ৰ স্বৰূপ নিৰ্ণয় কৰে। এই আদৰ্শৰ ভিত্তিতেই মানুহৰ আচৰণৰ নৈতিক বিচাৰ কৰা হয়। এই আদৰ্শৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ হ'লে মানুহৰ প্ৰকৃত স্বৰূপ, লক্ষ্য এই জগতত মানুহৰ স্থান, জগত আৰু জীৱাত্মাৰ লগত পৰমসত্বাৰ সম্বন্ধ আদিৰ সম্যক জ্ঞানৰ আৱশ্যক। এনে তাত্বিক জ্ঞান দৰ্শনেহে দিব পাৰে আৰু এই জ্ঞানৰ বাবে নীতিশাস্ত্ৰ দৰ্শনৰ ওপৰত নিৰ্ভৰশীল।

(২) মানুহ সামাজিক প্ৰাণী। প্ৰকৃতি আৰু সমাজৰ লগত সম্পৰ্ক সম্বন্ধে মানুহ সচেতন। নীতিশাস্ত্ৰই মানুহৰ আচৰণৰ নৈতিক মূল্যাযণ কৰোতে মানুহক সামাজিক জীৱ হিচাপেহে বিচাৰ কৰে। সমাজ বিশ্বৰ অংশ মাত্ৰ আৰু মানুহ সমাজ সচেতন হওঁতে বিশ্বৰ প্ৰতি মানুহৰ কৰ্তব্য সম্পৰ্কেও জ্ঞান জন্মে। নীতিশাস্ত্ৰই মানুহৰ আচৰণ বিচাৰ কৰোতে মানুহক আত্মসচেতন প্ৰাণী হিচাপে বিচাৰ কৰে। আচৰণ মানুহৰ আন্তঃসংকল্পৰ বহিঃ প্ৰকাশ। মনৰ এই সংকল্প বুজিবলৈ মন সম্পৰ্কে সম্যক জ্ঞানৰ প্ৰয়োজন আৰু মানৱ মনৰ এনে তাত্বিক জ্ঞান দৰ্শনেহে আলোচনা কৰে। গতিকে মনৰ স্বৰূপ সম্পৰ্কে তাত্বিক জ্ঞান পাবলৈ নীতিশাস্ত্ৰই দৰ্শনৰ ওপৰত নিৰ্ভৰশীল।

(৩) নৈতিক বিচাৰৰ অৱশ্য স্বীকাৰ্য সত্যবোৰ দৰ্শনৰ আলোচ্য বিষয়। ব্যক্তিৰ ব্যক্তিত্ব, ব্যক্তিৰ বিচাৰ শক্তি, ইচ্ছাৰ স্বাধীনতা বা আত্মস্বাতন্ত্ৰ নৈতিক বিচাৰৰ অৱশ্য স্বীকাৰ্য সত্য। এইবোৰ স্বতঃসিদ্ধ হিচাপে নীতিশাস্ত্ৰই মানি লয়। কিন্তু দৰ্শনে এই স্বীকাৰ্য সত্য কেইটাৰ যথাৰ্থতা আৰু প্ৰামাণ্য প্ৰতিপাদন কৰে। ব্যক্তিৰ ব্যক্তিত্ব নিৰ্ভৰ কৰে আত্মসচেতনতা আৰু মানসিক বৃত্তিসমূহৰ অন্তৰালত থকা অপৰিৱৰ্তনীয় বা স্থায়ী সত্বাৰ ওপৰত। ব্যক্তিত্ব, বিচাৰবুদ্ধি আৰু আত্মস্বাতন্ত্ৰৰ স্বৰূপৰ জ্ঞান দৰ্শনেহে দিব পাৰে। গতিকে এইবোৰৰ বাবেও নীতিশাস্ত্ৰই দৰ্শনৰ ওপৰত নিৰ্ভৰশীল।

ইয়াৰোপৰি আত্মাৰ স্বৰূপ, আত্মাৰ অমৰত্ব, ঈশ্বৰৰ অস্তিত্ব আৰু পূৰ্ণত্ব আদি বিষয়বোৰ দৰ্শনৰ আলোচ্য বিষয় হলেও নীতিশাস্ত্ৰইও এইবোৰ পৰ্যালোচনা কৰে। ইয়াৰ দ্বাৰা গৃহীত হোৱা সিদ্ধান্তই নৈতিক মতবাদত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। ইচ্ছাৰ স্বাধীনতা নৈতিকতাৰ মূল ভিত্তি। ইচ্ছাৰ স্বাধীনতা অস্বীকাৰ কৰিলে নৈতিকতা অৰ্থহীন হৈ পৰিব। আত্মাৰ অমৰত্বত নীতিশাস্ত্ৰই প্ৰত্যক্ষ ভাৱে বিশ্বাস নকৰিলেও এই পৰোক্ষ বিশ্বাসে মানুহৰ আচৰণত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। মানুহে কৃতকৰ্মৰ ফল ভোগ কৰিবই লাগিব। এই জনমত

নহলেও পৰজনমত ভোগ কৰিবই লাগিব। ইয়াৰ বিনাশ নাই। ঈশ্বৰৰ অস্তিত্ব আৰু পূৰ্ণতাও নীতিশাস্ত্ৰৰ আলোচ্য বিষয়। ঈশ্বৰ অবিহনে নৈতিকতা সম্ভৱনে? নৈতিক আদৰ্শ বাস্তৱ নে মনঃপ্ৰসূত, নৈতিক নীতি মানৱসৃষ্ট নে ঈশ্বৰসৃষ্ট, ঈশ্বৰ আৰু নৈতিক আদৰ্শ আৰু নৈতিক নীতিৰ সম্বন্ধ আদি প্ৰশ্নবোৰো নীতিশাস্ত্ৰৰ আলোচ্য বিষয়।

নীতিশাস্ত্ৰ আদৰ্শনিষ্ঠ আৰু নিয়ামক বিজ্ঞান। এই দিশৰপৰা দৰ্শনৰ লগত নীতিশাস্ত্ৰৰ কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। সেইবোৰ হ'ল-

(১) দৰ্শনৰ পৰিসৰ নীতিশাস্ত্ৰতকৈ বহুত বেছি ব্যাপক। নীতিশাস্ত্ৰই অকল মানুহৰ নৈতিক আদৰ্শ বা পৰম কল্যাণ সম্পৰ্কে আলোচনা কৰে আৰু বিশ্বব্ৰহ্মাণ্ডৰ সুসংহত আৰু সামগ্ৰিক জ্ঞান দিয়ে। দৰ্শন অকল নীতিশাস্ত্ৰৰেই নহয় সকলো বিজ্ঞানৰেই আধাৰ। বিজ্ঞানে যিবিলাক নীতি স্বীকাৰ্য বা স্বতঃসিদ্ধ হিচাপে মানি লয়, দৰ্শনে সেই মৌলিক নীতিবোৰৰ প্ৰামাণ্য প্ৰতিপাদন কৰে। সেয়েহে দৰ্শনৰ পৰিসৰ নীতিশাস্ত্ৰতকৈ বহুত বেছি ব্যাপক।

(২) দৰ্শন তত্ত্বনিষ্ঠ বিজ্ঞান। জ্ঞান লাভেই দৰ্শনৰ উদ্দেশ্য। কিন্তু নীতিশাস্ত্ৰই আদৰ্শনিষ্ঠ বিজ্ঞান হিচাপে ব্যৱহাৰিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰে। নীতিশাস্ত্ৰই তত্ত্ব সম্বন্ধে জ্ঞান দিয়াৰ লগতে আমাৰ ব্যৱহাৰিক জীৱনৰ লগত সম্বন্ধিত ন্যায়-অন্যায়, উচিত-অনুচিত আদি ধাৰণাৰো জ্ঞান দিয়ে।

(৩) দৰ্শন জ্ঞানকেন্দ্ৰিক, নীতিশাস্ত্ৰ কৰ্মকেন্দ্ৰিক। যুক্তি, তৰ্ক, বিচাৰৰ দ্বাৰা দৰ্শনে সিদ্ধান্ত নিৰ্ণয় কৰে। আনহাতে নীতিশাস্ত্ৰ মানুহৰ কৰ্ম বা আচৰণৰ লগত জড়িত। নীতিশাস্ত্ৰই সংকল্পাত্মক দিশতহে বেছি গুৰুত্ব দিয়ে।

(৪) নীতিশাস্ত্ৰই বিশেষকৈ মানুহৰ পৰম কল্যাণৰ স্বৰূপ আলোচনা কৰে। নীতিশাস্ত্ৰৰ লক্ষ্য মানৱীয় পৰম কল্যাণ। কিন্তু দৰ্শনৰ লক্ষ্য জগত কল্যাণ।

চৌধুৰী